# **REGIONAL NEWS UNIT**
# AKASHVANI :: GUWAHATI
0000000000

**Date : 02-06-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::::**

অসম আৰু মেঘালয়ৰ সামগ্ৰিক উন্নয়নৰ বাবে দুয়োখন ৰাজ্যই পাৰস্পৰিক সমিলমিলেৰে আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। আজি গুৱাহাটীত অসম আৰু মেঘালয়ৰ মাজৰ সীমা বিবাদ নিষ্পত্তিৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ মাজত অনুষ্ঠিত আলোচনাত এই বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। তদুপৰি দুয়োখন ৰাজ্যই কৃষকসকলক উপকৃত কৰাৰ লক্ষ্যৰে কুলসি জলসিঞ্চন প্ৰকল্পৰ বিকাশ ঘটাব। ইয়াৰ বাবে অসম চৰকাৰে পুজি আগবঢ়াব। স্থানীয় জনসাধাৰণৰ সৈতে হোৱা আলোচনাৰ অন্তত দুয়োখন ৰাজ্যই যৌথভাৱে ৫৫ মেগাৱাটৰ কুলসি শক্তি প্ৰকল্প নিৰ্মাণৰ সিদ্ধান্তও গ্ৰহণ কৰে। ইতিমধ্যে সমাধান কৰা ৬ টা সীমা বিবাদৰ সৰু সৰু সমস্যাবোৰ সংশ্লিষ্ট পক্ষৰ সৈতে আলোচনা আৰু সীমা চিহ্নিত হোৱাৰ পাছত অতি সোনকালে নিষ্পত্তি কৰাৰ উপৰি বাকী ৬ টা বিবাদিত স্থান পাৰস্পৰিকভাৱে সৌহাদ্যপূৰ্ণভআৱে নিৰ্ধাৰিত সময়ত সমাধান কৰা হব বুলি মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰে। দুয়োখন ৰাজ্যই গুৱাহাটীৰ নগৰীয়া বান সমস্যাৰ সমাধানৰ বাবে বান প্ৰবন এলেকাৰ সঠিক উপগ্ৰহ মেপিং কৰিবলৈ নেচাকক অৰ্পন কৰাৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰে।

০০০০

বিগত কেইবাদিনো হৈ থকা ধাৰাষাৰ বৰষুণৰ পাছত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বতৰ কিছু ফৰকাল হৈছে যদিও কেইবাখনো জিলাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। বছৰৰ প্ৰথমটো বানত ৰাজ্যৰ ১৭ খন জিলাৰ ৩ লাখ ৬৪ হাজাৰৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনে স্থাপন কৰা ৫২ টা আশ্ৰয় শিবিৰত ১০ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ৰাজ্যখনত এই বানত ১২ জন লোকে প্ৰাণ হেৰুৱাইছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাৰ বান পৰিস্থিতিৰ বুজ লয়। আজি মুখ্যমন্ত্ৰীয়ে জিলাখনৰ পাচনৈ, বৰবিল আৰু নাওবৈচা সমষ্টিৰ আমতলা অঞ্চল পৰিদৰ্শন কৰি বানত ক্ষতিগ্ৰস্ত লোকসকলৰ সৈতে মত বিনিময় কৰে। তেওঁ এই স্পৰ্শকাতৰ সময়ত চৰকাৰে ক্ষতিগ্ৰস্তসকলক সকলো প্ৰকাৰে সকাহ আৰু সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিব বুলি প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰশাসনে জনসাধাৰণৰ নিৰাপত্তাৰ বাবে অহৰহ কাম কৰি আছে আৰু পৰিস্থিতি স্বাভাৱিক হ'লে ক্ষতিগ্ৰস্তসকলক ক্ষতিপূৰণৰ ব্যৱস্থা কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে আজি ৰঙানদী শক্তি প্ৰকল্পৰ নিপকোৰ বিষয়ববীয়াৰ সৈতেও পৰ্যালোচনা বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে জৰুৰীকালীন পৰিস্থিতিৰ জোৰা মৰাৰ বাবে আগতীয়া ব্যৱস্থা গ্ৰহণৰ লগতে জিলা প্ৰশাসনৰ সৈতে সঘনে যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিয়ে।

০০০০

ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে কাৰ্বি আংলং জিলাৰ দলদলী সংৰক্ষিত বনাঞ্চলত দখল আৰু পৰিৱেশ বিনষ্ট কৰা সন্দৰ্ভত তদন্তৰ বাবে এখন যুটীয়া সমিতি গঠন কৰিছে। উত্তম বোথাৰি নামৰ এজন লোকে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীকৰণে অসম চৰকাৰৰ প্ৰধান মুখ্য বনসংৰক্ষক কেন্দ্ৰীয় চৰকাৰৰ

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰ্যালয়ৰ এগৰাকী প্ৰতিনিধি, নাগালেণ্ড চৰকাৰৰ ভূমি ৰেকৰ্ড আৰু জৰিপ বিভাগৰ এগৰাকী প্ৰতিনিধি আৰু কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ এজন প্ৰতিনিধিক লৈ এই সমিতিখন গঠন কৰা হৈছে। সমিতিখনক যাৱতীয় তথ্য গ্ৰহণ আৰু সংশ্লিষ্ট পক্ষসমূহৰ সৈতে মত বিনিময় কৰি সংৰক্ষিত বনাঞ্চলখনত দখলৰ অভিযোগ সন্দৰ্ভত দুমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০

অসম বিধান সভাৰ সৰ্বদলীয় সমিতিয়ে আজি তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ ৩টা ফায়াৰিং ৰেঞ্জ পৰিদৰ্শন কৰে। অসম বিধানসভাৰ স্থায়ী সদন কমিটিৰ সভাপতি ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ নেতৃত্বত প্ৰতিনিধি দলটোৱে সেনা বাহিনীৰ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম ফায়াৰিং ৰেঞ্জ হিচাপে পৰিচিত মেনকা চাহ বাগিছা, শুকানজুলি আৰু পাহাৰপুৰ পৰিদৰ্শন কৰে। শেহতীয়াকৈ সেনা বাহিনীৰ অস্ত্ৰ শস্ত্ৰ প্ৰশিক্ষণৰ বাবে ৰেঞ্জৰ পৰিসৰ বৃদ্ধি কৰাৰ ফলত অঞ্চলটোৰ জনসাধাৰণে বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা বুলি অভিযোগ কৰিছিল। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি পাহাৰপুৰৰ পৰা ৩৪ টা পৰিয়াল স্থানান্তৰিক কৰি আন ঠাইত সংস্থাপনৰ ব্যৱস্থা কৰা হৈছিল যদিও এই প্ৰক্ৰিয়াও অসম্পূৰ্ণ হৈ থাকে। এই সমস্যাৰ আঁত ধৰিয়ে আজি অসম বিধানসভাৰ সদন কমিটিয়ে এই ফায়াৰিং ৰেঞ্জকেইটা পৰিদৰ্শন কৰি অঞ্চলটোৰ দীৰ্ঘদিনীয়া দাবী আৰু সমস্যাসমূহৰ বুজ লয়। সদন কমিটিয়ে জিলা প্ৰশাসন, সেনা বাহিনীৰ বিষয়া আৰু জনসাধাৰণৰ উপস্থিতিত ড্ৰোনৰ সহায়ত মাটিৰ জৰীপ কৰি চেপ্তেম্বৰৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈও নিৰ্দেশ দিয়ে। এই প্ৰতিবেদনৰ ভিত্তিত পৰৱৰ্তী সময়ত বিষয়টো চৰকাৰক অৱগত কৰি সমস্যাৰ সমাধানৰ বাবে ব্যৱস্থা লোৱা হ'ব বুলি সদন কমিটিয়ে উল্লেখ কৰে।

০০০০

ভৱানীপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ সন্মুখৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত দুদিন পূৰ্বে সংঘটিত এটা পথ দুৰ্ঘটনাত বজালী জিলা ন্যায়িক আদালতৰ এগৰাকী অধিবক্তাৰ মৃত্যুৰ প্ৰতি শ্ৰদ্ধা জনাই আজি বজালী সত্ৰ ন্যায়াধীশৰ কাৰ্যালয়ত এখন শোকসভা অনুষ্ঠিত হয়। ইপিনে, পথ সুৰক্ষাৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণৰ দাবীৰে বজালী জিলা উকিল সন্থাই জিলা আয়ুক্ত, জিলা আৰু ছেছন ন্যায়াধীশৰ উপৰি আৰক্ষী অধীক্ষকক পৃথকে পৃথকে স্মাৰকপত্ৰ প্ৰদান কৰে। এই স্মাৰকপত্ৰযোগে ৰাষ্ট্ৰীয় ঘাইপথত ই ৰিক্সাৰ চলাচল সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা, ভূটানৰ ডাম্পাৰ যান বাহন আইন অনুসৰি চলাচলৰ ব্যৱস্থা কৰা, যান-বাহন আইন উলংঘাকাৰীসকলৰ কঠোৰ শাস্তি বিহাৰ দাবীৰ উপৰি এই সমগ্ৰ প্ৰক্ৰিয়াটো চোৱা-চিতাৰ বাবে এখন নিৰীক্ষণ সমিতি গঠন কৰাৰ বাবে দাবী জনোৱা হয়।

০০০০

বজালী জিলাৰ ঘটবৰ সদেৰীৰ বিশিষ্ট সমাজকৰ্মী, ঘোষানামৰ পাঠক হৰিপ্ৰসাদ কলিতাৰ আজি পুৱা নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৯ বছৰ।

০০০০

সমাপ্ত